# বান ব্যৱস্থাপনা

| | |
|---|---|
| **বিৱৰণ** | শিক্ষাৰ্থীয়ে কিছুমান প্ৰায়ে ঘটি থকা প্ৰাকৃতিক দুৰ্যোগ (Natural Disasters), সেইবোৰৰ কাৰণ আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়ে বুজিবলৈ বিশ্লেষণ আৰম্ভ কৰিব । তেওঁলোকে উদ্ভিদ, জীৱ-জন্তু, মানুহৰ জীৱনলৈ অহা প্ৰাকৃতিক বিপৰ্যয়ৰ প্ৰভাৱৰ ওপৰত গৱেষণা কৰিব আৰু সুৰক্ষা নিৰ্দেশাৱলী( safety guides) আৰু বিপৰ্যয়কালীন সামগ্ৰীৰ ( disaster kits) ৰ অন্তৰ্ভূক্তিৰে জৰুৰীকালীন প্ৰতিক্ৰিয়া সামগ্ৰীসমূহ ( emergency response kit ) প্ৰস্তুত কৰিব । |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | তোমাৰ সম্প্ৰদায়ত এক বান ব্যৱস্থাপনা কৰিব পাৰিবা নেকি? |
| **মুঠ সময়** | ৫ দিনত ৪ ঘন্টা। |
| **সঁজুলিৰ প্ৰয়োজন** | • চাৰিও দিশে দাঁতি থকা এখন বহল সমতল পাত্ৰ (ট্ৰে), মাটি, স্পঞ্জ, সৰু শিল গুটি।<br>• খালী প্লাষ্টিকৰ পাত্ৰ।<br>• প্লাষ্টিকৰ বটল, ৰছী, সূতা আৰু ডাঙৰ প্লাষ্টিকৰ বেগ। |
| **শিকনৰ ফলাফল** | ১. অত্যাধিক বৰষুণৰ প্ৰভাৱ আৰু বানপানীৰ বিষয়ে বুজিব।<br>২. পৰিমাপৰ সাধৰণ একক বুজিব আৰু নিজৰ স্কেল প্ৰস্তুতকৰণ।<br>৩. বানপানীৰ প্ৰভাৱ চিনাক্তকৰণ।<br>৪. বানপানীৰ পৰিণামৰ পৰা ৰক্ষা পাবলৈ প্ৰতিৰক্ষামূলক আৰু জৰুৰী ব্যৱস্থাপনা । |
| **প্ৰাৰম্ভিক জ্ঞান** | নাই |

## দিন ১

আজি তোমালোকে বান বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **১৫ মিনিট** | • ভাৱি লোৱা বানপানী হৈছে এডোখৰ শুকান মাটিত থকা অতিৰিক্ত পানী।<br>• প্ৰাকৃতিক পানীৰ উৎস আৰু তুমি জনা পানী জমা হৈ থকা ঠাইৰ সচিত্ৰ তালিকা প্ৰস্তুত কৰাঃ<br>  ○ বৰষুণ<br>  ○ সাগৰ<br>  ○ নদী |

| | |
|---|---|
| | ○ হ্ৰদ<br>○ হিমবাহ ইত্যাদি। |
| **৪৫ মিনিট** | • বানপানীৰ ফলত মানুহৰ কাৰ্য্যকলাপত প্ৰভাৱ বিশ্লেষণ কৰিবলৈ এটা আৰ্হি সাজা। অংকনৰ সৈতে প্ৰতিটো পৰীক্ষণৰ পৰিণতি বা ফলাফল নথিভূক্ত কৰা অথবা বানপানীৰ ওপৰত বৰ্ণনামূলক বাক্য লিখা।<br>• বানপানী আৰ্হিৰ গঠনঃ<br>○ চাৰিওদিশে দাঁতি থকা এখন সমতল পাত্ৰ লোৱা। পাত্ৰটোৰ সোঁমাজত পৰ্যাপ্ত পৰিমাণৰ মাটি থোৱা।<br>○ পাত্ৰত থকা মাটিত পানীৰ নদী পথ তৈয়াৰ কৰা। নদীৰ দুয়া কাষে পথ বা মানুহৰ ঘৰ বুজিবৰ বাবে সৰু শিলৰ গুটি, কাঠৰ টুকুৰা, পুতলা ঘৰ থোৱা ।<br><br>○ আৰ্হিত থকাৰ দৰে নদী পথত পানী ঢালা আৰু লক্ষ্য কৰা নদীৰ পথত পানী জমা হৈ থকা ।পানীৰ পৰিমাণ বঢ়াই কৃত্ৰিম ভাৱে মুষলধাৰ বৰষুণ অথবা পানীৰ প্ৰৱাহ বৃদ্ধি কৰিব পাৰা।<br>○ **পৰীক্ষণ ১:** দাঁতি কাষৰীয়া ঠাই সমূহত কি হ'ল নিৰীক্ষণ কৰা। তেওঁলোকৰ আৰ্হিৰ চৌদিশে শিল গুটি, পুতলা ঘৰবোৰ আঁতৰি গৈছে আৰু লক্ষ্য কৰা যে নদীৰ নিচেই দাঁতি কাষৰীয়া অঞ্চল সমূহ বানে বুৰাই পেলাইছে।<br>○ **পৰীক্ষণ ২:** চিধা নদী সুঁতি আৰু পথ<br>– ওপৰত দেখুৱাৰ দৰে এটা চিধা জলপথ তৈয়াৰ কৰি ৰাখা আৰু পানীৰ প্ৰৱাহৰ গতি আৰু বানপানীৰ পৰিনাম পৰীক্ষা কৰা ।<br>– তাৰপিছত এটা সৰ্পাকৃতিৰ অথবা একাঁবেকাঁ নদী পথ তৈয়াৰ কৰা আৰু পানীৰ প্ৰৱাহৰ গতি আৰু বানপানীৰ পৰিণাম পৰীক্ষা কৰা ।<br>– নিৰীক্ষণ কৰা যে একাঁবেকাঁ জলপথত পানীৰ গতি আৰু পানীৰ প্ৰৱাহৰ তীব্ৰতা কমি যায় । ফলত বানপানীৰ প্ৰকোপ কম হয়। ইয়াৰ ওপৰিও জলপথটো আৰু অধিক বেঁকা কৰা বানপানীৰ পৰীক্ষা অনুমান কৰিবলৈ। |

| | |
|---|---|
| | - তোমাৰ অংকন সম্পূৰ্ণ কৰা আৰু যেতিয়া অধিক বৰষুণ হয় তেতিয়া কি হয় বুজিবলৈ বিভিন্ন পৰীক্ষণৰ পৰা টোকা প্ৰস্তুত কৰা। |
| ১৫ মিনিট | • উপৰ উক্ত দুয়োটা পৰীক্ষণৰ পৰা বানপানীৰ ফলত মানুহৰ একাধিক কি কি ক্ষতিগ্ৰস্ত হয় বিশ্লেষণ কৰি টোকা প্ৰস্তুত কৰা। |

## দিন ২

আজি তোমালোকে প্ৰাকৃতিক বিপদৰ প্ৰবলতা পৰিমাপ আৰু বিশ্লেষণ কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ১৫ মিনিট | • তোমাৰ নিজৰ স্কেল সাজা!<br>• স্কেল ব্যৱহাৰ কৰা হয় চিধা ৰেখা আঁকিবলৈ বা দূৰত্ব জুখিবলৈ। প্ৰতিটো স্কেলতে সমান বিৰতিত চিহ্নিত কৰা হয়।<br>• যিকোনো এক কঠিন বস্তু লোৱা, যেনে- কাঠৰ টুকুৰা, কাৰ্ডবোৰ্ড, অথবা কঠিন কাগজ। পৰিমাপৰ একক চেন্টিমিটাৰ অথবা ইঞ্চি নিৰ্ণয় কৰা- প্ৰতিটো চিহ্নৰ বাবে তোমালোকৰ তৰ্জনী আঙুলি পথালিকৈ থোৱা। যদি প্ৰতিটো চিহ্নৰ সমান চেন্টিমিটাৰ অথবা ইঞ্চিৰ জোখৰ নহয়, তেন্তে প্ৰতিটো জোখ যাতে সমান হয় সেয়া নিশ্চিত কৰা প্ৰয়োজন। শিক্ষাৰ্থীৰ পৰিচিত একক ব্যৱহাৰ কৰা। আগতে শিকি অহা শিক্ষাৰ্থীয়ে চেন্টিমিটাৰ অথবা ইঞ্চিক সৰু একক মিলিমিটাৰত বিভক্ত কৰিব পাৰে। |
| ১৫ মিটাৰ | • বৰষুণৰ পৰিমাণ জুখিবলৈ ৰেইনগ'জ ব্যৱহাৰ কৰে। নতুনকৈ তৈয়াৰ কৰা স্কেলেৰে এটা কাপত থকা পানী বা বৰষুণ জুখিবলৈ ব্যৱহাৰ কৰা। কাগজ বা প্লাষ্টিকৰ যিকোনো এটা কাপ ব্যৱহাৰ কৰিব পাৰা। যেতিয়া বৰষুণ আৰম্ভ হয় কাপটো এডোখৰ মুকলি ঠাইত থোৱা। যেতিয়া বৰষুণৰ পানীৰে কাপটো পূৰ্ণ হব, প্ৰতিটো বৃষ্টিপাতৰ পিছত তুমি জুখিব পাৰা<br>• যদি বৰষুণ নিদিয়ে, তেন্তে তুমি কৃত্ৰিম বৰষুণৰ পানীৰে কাপটো সম্পূৰ্ণ কৰা আৰু জুখি উলিওৱা। এই কাপটো তিনিবাৰ পৰিমাপ পৰীক্ষণ কৰা।– প্ৰতিবাৰেই কাপটো পানী প্ৰৱাহিত ঠাইৰ তলত ৫-১০ চেকেণ্ডমান ধৰি ৰাখা। যিহেতু বিভিন্ন তীব্ৰতাৰ সৈতে বৰষুণ হয়, সেয়ে পৰিমাপৰ এই পৰীক্ষা তীব্ৰ গতিত প্ৰৱাহিত পানী অথবা সম্পূৰ্ণকৈ খোলা পানীৰ টেপৰ তলত, সামান্য ধীৰ প্ৰৱাহিত পানীৰ তলত কৰা, যেতিয়ালৈকে কেইটোপালমান পানী কাপটোত পৰে। |

| | |
|---|---|
| **১৫ মিনিট** | • সচিত্র বিৱৰণ সম্পূৰ্ণ কৰা য'ত তিনিবাৰ চেষ্টা কৰা প্ৰত্যেকটো কাপৰ চিত্ৰই অংকন কৰিব পাৰা আৰু ইয়াৰ সৈতে সম্পৰ্কিত পৰিভাষা (terminology) লিখা আৰু প্ৰতিটো চেষ্টাতে বৰষুণৰ পৰিমাণ জোখা।<br>• যেতিয়া খুউব জোৰে বৰষুণ দিয়ে, তেতিয়া সোনকালেই কাপটো পানীৰে পূৰ্ণ হয় অথবা পানীৰে ওপচি পৰে। |
| **২০ মিনিট** | • সাংখ্যিক প্ৰসাৰতাঃ তোমাৰ ঘৰৰ ৫ বিধ ভিন্ন সামগ্ৰী জুখিবলৈ তোমাৰ স্কেল ব্যৱহাৰ কৰা। তোমাৰ পেঞ্চিল, ৰবৰ, কিতাপ, আঙুলি, শাক-পাচলি ইত্যাদি জুখা। তাৰ পিছত তুমি জুখা সামগ্ৰীবোৰৰ ছবি অংকন, নামাকৰণ আৰু দৈৰ্ঘ্য লিখা। এতিয়া তলত দিয়া সমস্যা সমূহ সমাধান কৰাঃ<br>○ তুমি জুখি উলিওৱা আটাইতকৈ দীঘল সামগ্ৰী বিধ কি?<br>○ তুমি জুখি উলিওৱা আটাইতকৈ চুটি সামগ্ৰী বিধ কি?<br>○ একে দৈৰ্ঘ্যৰ যিকোনো দুবিধ সামগ্ৰী আছে নেকি ?<br>○ আটাইতকৈ দীঘল আৰু আটাইতকৈ চুটি সামগ্ৰী বিধৰ মাজৰ পাৰ্থক্য কিমান (ডাঙৰ-সৰু) ?<br>○ সকলো সামগ্ৰীৰ একেলগে মুঠ দৈৰ্ঘ্য কিমান (সকলো সংখ্যা যোগ কৰা)?<br>○ ডাঙৰৰ পৰা সৰু সংখ্যাবাৰ সজাব পাৰিবানে ?<br>○ আটাইতকৈ দীঘল দুবিধ সামগ্ৰী আৰু আটাইতকৈ চুটি দুবিধ সামগ্ৰীৰ মজৰ পাৰ্থক্য কি ? |

# দিন ৩

আজি তোমালোকে প্ৰভাবৰ ওপৰত গৱেষণা আৰু মানুহৰ জীৱনত বানপানীৰ পৰিনাম একত্ৰিত কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **২০ মিনিট** | • বানপানীৰ অভিজ্ঞতাৰ ওপৰত তোমাৰ অভিভাৱক বা পৰিয়ালৰ সদস্যক প্ৰশ্ন সোধা। পুৰণি শিক্ষাৰ্থীয়ে তেওঁলোকৰ পৰিয়ালৰ ওপৰত বানপানীৰ প্ৰভাৱৰ বিষয়ে তলত উল্লখ কৰা ৩ বা ৪ টা প্ৰভাৱিত বিষয়ত এটা সৰু সমীক্ষা কৰিব পাৰেঃ<br>○ খাদ্য যোগান।<br>○ গছ<br>○ জন্তু<br>○ ঘৰ |

| | |
|---|---|
| | ○ ৰাস্তা<br>○ পৰিবহন<br>○ বিদ্যালয় |
| **২০ মিনিট** | • ৩ টা দৃশ্যৰ ওপৰত চিত্ৰ অংকন আৰু চমু টোকা লিখা (যদি সম্ভৱ)<br>○ কিনকিনীয়া বৰষুণ, যিটো খৰাং বুলিও জনা যায় (শীৰ্ষেঃ গছ-গছনি, জীৱ-জন্তু, মানুহৰ সেই অকনমান পানীৰে কি হ'ল ? গছ-গছনিৰ ৰং কি হ'ল ? (খেতিবোৰৰ কি হ'ল ?)<br>○ অলপ বেছি বৰষুণ, বানপানীৰ সৃষ্টি হব পাৰে (শীৰ্ষেঃ বৰষুণৰ পিছত গছ-গছনি, জীৱ-জন্তু, মানুহৰ কি হয় ? বৰষুণৰ পিছত তুমি কি ৰং দেখা ? ইত্যাদি। )<br>○ বহুত বেছি বৰষুণ, বানপানীৰ সৃষ্টি হব পাৰে (শীৰ্ষেঃ গছ-গছনিৰে সৈতে সমতল ভূমিৰ কি হ'ল ? জীৱ-জন্তুবোৰৰ কি হ'ল, সাতুৰিব পাৰে নে নোৱাৰে ? ঘৰ, অট্টালিকাবোৰৰ কি হ'ল ? কি ৰং আশা কৰিছা ?) |

# দিন ৪

আজি তুমি নিজকে আৰু তোমাৰ সম্প্ৰদায়ক বানপানীৰ বাবে সাজু কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **২০ মিনিট** | • যেতিয়া বানপানী হয় তেতিয়া তুমি কি কৰিবা তাৰ বিষয়ে সবিশেষ সহ জৰুৰীকালীন এখন কাৰ্ড ৰূপাঙ্কনেৰে আৰম্ভ কৰিবা।<br>○ জৰুৰীকালীন সেৱাৰ নাম্বাৰ অগ্নি নিৰ্বাপক, আৰক্ষী আৰু এম্বুলেন্স সেৱাৰ নাম্বাৰ সমূহ কি কি ?<br>○ তোমাৰ অঞ্চলটোৰ সুৰক্ষিত ঠাই কোনখিনি ? (যেনে- বিদ্যালয়, অট্টালিকা, হস্পিতাল ইত্যাদি)<br>○ যদি তুমি তোমাৰ পৰিয়ালৰ পৰা পৃথক হৈ যোৱা তেন্তে তুমি জৰুৰীকালীন যোগাযোগৰ সবিশেষ দিব জনাটো অতি প্ৰয়োজন। যেনে- অভিভাৱকৰ সম্পূৰ্ণ নাম, সম্পূৰ্ণ ঠিকনা, ফোন নং ইত্যাদি।<br>○ তোমাৰ নিকট আত্মীয় বা বন্ধু-বান্ধৱীৰ নাম আৰু ফোন নং কি ? |
| **২০ মিনিট** | • বানপানীৰ বাবে জীৱন ৰক্ষক সঁজুলি (survival kit) প্ৰস্তুতি। তলত কিছুমান গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰা হ'ল-<br>○ লাগতীয়ালঃ আটাইতকৈ লাগতীয়াল অথবা অতি গুৰুত্বপূৰ্ণ |

সামগ্ৰী।
  - গুৰুত্বপূৰ্ণঃ অতি মূল্যৱান সামগ্ৰী।
  - বিকল্পঃ এনেকুৱা কিছুমান সামগ্ৰী যিটো লগত থাকিলে ভাল।
- ৩ টা দগুৱে এখন তালিকা সাজাঃ **লাগতীয়াল, গুৰুত্বপূৰ্ণ আৰু বিকল্প**। প্ৰতিটো দগুতে ২-৪ বিধ সামগ্ৰীৰ নাম লিখা বা ছবি অংকন কৰা। সামগ্ৰী সমূহৰ বিষয়ে পৰিয়ালৰ সদস্য সকলৰ লগত আলোচনা কৰা যে কোনবোৰ সামগ্ৰী তেওঁলোকক অতি প্ৰয়োজন অথবা পৰিয়ালৰ আলোচনাৰ অংশীদাৰ হোৱা। বিকল্পভাৱে কোনবোৰ সামগ্ৰী নোহোৱাকৈ দিনটো চলা অসম্ভৱ সেইবোৰ সামগ্ৰী চিনাক্ত কৰা। যেনে- খাদ্য, পানী-এইবোৰ লাগতীয়াল, কোনবোৰ সামগ্ৰী অতি প্ৰয়োজন সেইবোৰ গুৰুত্বপূৰ্ণ যেনে- কম্বল ইত্যাদি আৰু কোনবোৰ সামগ্ৰী থাকিলে তোমাৰ ভাল লাগিব বা নাথাকিলেও বেয়া নালাগে, যেনে-তোমাৰ প্ৰসাধন সামগ্ৰী।
- কিছুমান উদাহৰণ তলত উল্লেখ কৰা হ'লঃ

| লাগতীয়াল | গুৰুত্বপূৰ্ণ | বিকল্প |
|---|---|---|
| খাদ্য (বেছি দিনলৈ ব্যৱহাৰ কৰিব পৰাকৈ) | কম্বল | প্ৰসাধন সামগ্ৰী |
| পানী | ফোন আৰু চাৰ্জাৰ | আৰ্চি (সূৰ্য্যৰ পোহৰত সংকেত দিবলৈ) |
| ঔষধ | পৰিচয় পত্ৰ আৰু লাগতীয়াল কাগজ-পত্ৰ | - |

| | |
|---|---|
| **১০ মিনিট** | • মাটিৰ পৰা মনোযোগ আকৰ্ষিত কৰিবলৈ ৰঙীন পতাকা আৰু সহায়ৰ বাবে ফলক প্ৰস্তুত কৰা । |

# দিন ৫

আজি তুমি বতৰৰ পূৰ্বাভাসৰ দৰে ভাওঁ ধৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **২০ মিনিট** | • প্ৰথমে এখন পাণ্ডুলিপি তৈয়াৰ আৰু বৰ্ণনা কৰা- এইখিনি পৰিয়ালৰ সদস্যই নথিভুক্ত কৰিব পাৰিব। সংবাদ প্ৰতিৱেদন প্ৰস্তুতৰ বাবে তুমি কিছুমান বিষয়সূচক শব্দ (Keywords) লিখি বা অংকন কৰি সহায় কৰিব পাৰা। |

| | |
|---|---|
| | • প্ৰথমে তুমি জাতীয় বতৰ পৰিসেৱাৰ দ্বাৰা সতৰ্কবাণীৰ বিষয়ে ভাৱিব লাগিব। যেতিয়া বতৰ বেয়া হয় তেতিয়া এই সতৰ্কবানীয়ে মানুহক সতৰ্ক কৰি ৰাখে।<br>• এই সতৰ্কবাণীৰ ক্ষেত্ৰত, তুমি সাঙুৰি লোৱা প্ৰয়োজনঃ<br>○ বানপানী কেনেকৈ হয় ?<br>○ ভিন্ন বৰষুণৰ পৰিমাণ কেনেকৈ জুখিবা।<br>○ যদি বানপানী হয় কি হব ?<br>○ ইয়াৰ বাবে আমি কেনেকৈ জৰুৰীকালীন পৰিচয় পত্ৰ আৰু জীৱন ৰক্ষক সঁজুলিৰ সৈতে সাজু হ'ম ? |
| ২০ মিনিট | • বতৰৰ এই সতৰ্কবাণী প্ৰতিৱেদন মৌখিক ভাৱে তেওঁলোকৰ পৰিয়ালৰ সকলো সদস্যকে জনোৱা। |

## মূল্যায়নৰ মাপকাঠী

- বানপানীৰ বাবে মানুহৰ কামৰ কাৰণৰ বিষয়ে বুজি পোৱা।
- স্কেল সাজা আৰু সামগ্ৰী জুখা ।
- জৰুৰীকালীন নিয়মসমূহৰ (protocol) ব্যৱহাৰিকতা ।
- বিভিন্ন সামগ্ৰী যেনে- লাগতীয়াল, গুৰুত্বপূৰ্ণ অথবা বিকল্পৰ বিষয়ে বুজি পোৱা।
- চূড়ান্ত বতৰ দেখাৰ প্ৰতিবেদন বুজি প্ৰদৰ্শন কৰা।

## অতিৰিক্ত সমৃদ্ধিকৰণ ক্ৰিয়াকলাপ

- জুখিবৰ বাবে শিক্ষাৰ্থীয়ে আৰ্হি আৰু আহিলাৰ সংখ্যা কমাব পাৰে।

-----------------